## **শ্ৰীমতী সীমা কুমাৰী শৰ্মা**

**-বনাম-**

## **হিমাচলপ্ৰদেশ ৰাজ্য চৰকাৰ আৰু অন্যান্য**

অক্টোবৰ ২৩,১৯৯৬

[ন্যায়াধীশ কে. ৰামস্বামী আৰু ন্যায়াধীশ জি. বি. পাট্টানায়ক]

*সেৱা আইন*

*বাছনি- শিক্ষকসকল- বাছনিৰ বাবে চৰ্ত- আই. আৰ. ডি. পি. পৰিয়ালৰ প্ৰাৰ্থীসকলৰ বাবে ওপৰঞ্চি নিৰ্ধাৰিত ১০নম্বৰ- আবেদনৰ লগত প্ৰমাণপত্ৰ জমা কৰা নাই- সেয়েহে প্ৰাৰ্থীগৰাকীক নম্বৰ দিয়া হোৱা নাই- উপস্থাপন কৰে যে, আবেদনৰ সৈতে প্ৰমাণপত্ৰ জমা নকৰা কাৰ্য্যই তেওঁক ১০নম্বৰৰ দাবী কৰাৰ পৰা বঞ্চিত নকৰে- যিহেতু তেওঁ ইতিমধ্যে পৰীক্ষাত অৱতীৰ্ণ হৈছে, সেয়েহে তেওঁৰ ফলাফল ঘোষণা কৰিব লাগিব আৰু যদি তেওঁক নিৰ্বাচিত কৰা হয় তেন্তে নিযুক্তিৰ গোচৰ, নিয়ম অনুসৰি বিবেচনা কৰিব লাগিব।*

দেৱানী আপীল আবেদনৰ ক্ষেত্ৰাধিকাৰ-দেৱানী আপীল নং১৪৫৩১-৩২/১৯৯৬।

১৯৯৫চনৰ ৬১৯নং অ.এ.-ত চিমলাস্থিত কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণৰ ২৫.০৪.৯৬-ৰ ৰায় আৰু আদেশৰ ভিত্তিত।

আপীলকাৰীৰ পক্ষত শ্ৰীমতী ৰাণী ছাবৰা।

উত্তৰদাতাৰ পক্ষত টি. এ. খান আৰু টি. শ্ৰীধৰণ।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হৈছে-

অনুমতি প্ৰদান কৰিছে।

আমি দুয়োপক্ষৰ বিদ্বান পৰামৰ্শদাতাৰ কথা শুনো।

বিশেষ অনুমতিৰ দ্বাৰা এই আপীলসমূহ চিমলা পীঠৰ কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণৰ অ. এ. নং. ৬১৯/৯৫ আৰু পুনৰীক্ষণ আদেশৰ পৰা উদ্ভৱ হয়। স্বীকাৰ্য্য পৰিস্থিতিটো এইয়ে যে- শিক্ষা সঞ্চালকে জুনিয়ৰ বেচিক টিচাৰ্চ ট্ৰেইনিং (কনিষ্ঠ শিক্ষকৰ মৌলিক প্ৰশিক্ষণ) ৰ বাবে জাননী জাৰি কৰিছিল। মেট্ৰিক বা সমপৰ্য্যায় পৰীক্ষাত লাভ কৰা নম্বৰৰ শতাংশৰ ভিত্তি কৰি বাছনিৰ মানদণ্ড আছিল- ১০০নম্বৰ। ২০নম্বৰ গ্ৰাম্য অঞ্চলৰ প্ৰাৰ্থীসকলৰ বাবে আৰু পিছপৰা পঞ্চায়তৰ প্ৰাৰ্থীসকলৰ বাবে ১০নম্বৰ আছিল। একেদৰে, আই. আৰ. ডি. পি.-ৰ অন্তৰ্গত প্ৰাৰ্থীসকলৰ বাবে ১০নম্বৰ থিক কৰা হৈছিল। যদিও আপীলকাৰীয়ে আই. আৰ. ডি. পি.-ৰ পৰিয়াল বুলি দাবী কৰিছিল, তথাপি কৰ্তৃপক্ষই তেওঁৰ দাবী গ্ৰহন কৰা নাই আৰু ফলস্বৰূপে মানদণ্ডৰ অধীনত প্ৰয়োজনীয় ১০নম্বৰ লাভ কৰা নাই। যেতিয়া আপীলকাৰীয়ে লেখ আবেদন দাখিল কৰিছিল, তেতিয়া উচ্চ ন্যায়ালয়ে সেই ধাৰণাটো নাকচ কৰে যে, আপীলকাৰীয়ে আবেদনৰ সৈতে প্ৰমাণপত্ৰখন জমা কৰা নাছিল আৰু সেয়েহে, তেওঁ এই স্থিতিৰ অধিকাৰী নহয়। যেতিয়া আমি আপীলকাৰীক নথি জমা কৰিবলৈ নিৰ্দেশ দিওঁ, তেতিয়া তেওঁ প্ৰমাণপত্ৰখন নথিৰ এটা অংশ ৰূপে জমা দিছিল। দুৰ্ভাগ্যক্ৰমে, তাত জাৰী কৰাৰ তাৰিখ নাছিল; কিন্তু আমাৰ জ্ঞাত যে, তেওঁক আই.

আৰ. ডি. পি. পৰিয়াল-ক্ৰমিক-নম্বৰ দিয়া হৈছে। এই সত্যৰ ভিত্তিত, ধাৰাবাহিকভাৱে প্ৰদান কৰা সংখ্যাবোৰ ক্ৰমত সকলো প্ৰাৰ্থীক দিয়া হৈছে, আৰু আমাৰ মতত- আবেদনৰ সৈতে প্ৰমাণপত্ৰ মজুত কৰাত তেওঁৰ অপাৰগতাই তেওঁক ১০নম্বৰ দাবী কৰাৰ পৰা বঞ্চিত নকৰে। এই আদালতৰ দ্বাৰা প্ৰদান কৰা অন্তৰ্বৰ্তীকালীন নিৰ্দেশনা অনুসৰি আপীলকাৰী ইতিমধ্যে অনুষ্ঠিত পৰীক্ষাত অৱতীৰ্ণ হৈছে যদিও, তেওঁৰ ফলাফল ঘোষণা কৰা হোৱা নাই।

সেয়েহে, আপীলৰ অনুমতি দিয়া হৈছে; ন্যায়াধিকৰণৰ আদেশ একাষৰীয়া কৰা হৈছে। ফলাফল ঘোষণা কৰাৰ নিৰ্দেশ থাকিব আৰু যদি তেওঁক নিৰ্বাচিত কৰা হয় তেন্তে, নিযুক্তিৰ চুক্তিৰ তেওঁৰ গোচৰ নিয়ম অনুসৰি বিবেচনা কৰা হ'ব। ব্যয় অবিহনে।

আপীলৰ অনুমতি দিয়া হৈছে।

জি. এন.

.......................................................

..............................

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক,অনুবাদ শাখা,গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the

judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"

....................